# 2018

## ASSAMESE

( Elective )

Paper : 5.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) ১ নং চৰ্যাপদৰ ৰচক লুইপাদ কোন অঞ্চলৰ লোক আছিল ?

(খ) 'নন্দোৎসৱ' কবিতাটি কোনখন গ্ৰন্থৰ পৰা সংগৃহীত ?

(গ) 'কাণখোৱা'ৰ বাহিৰে শ্ৰীধৰ কন্দলিৰ ৰচিত অন্য এখন গ্ৰন্থৰ নাম লিখা।

(ঘ) 'ঊষা-পৰিণয়' কাব্যৰ ৰচক কোন ?

(ঙ) 'ৰংপুৰ নগৰৰ বৰ্ণনা' কবিতাটি কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে ?

(চ) অসমীয়া সাহিত্যত 'ব্যাস'ৰূপে কোনগৰাকী কবিক অভিহিত কৰা হয় ?

(ছ) নলিনীবালা দেৱীয়ে কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল ?

(জ) ৰঘুনাথ চৌধাৰী ৰচিত কথা-কবিতা পুথিখনৰ নাম কি ?

(ঝ) অসমীয়া কবিতাত কোনগৰাকী কবিয়ে পোনপ্ৰথমে নাটকীয় স্বগতোক্তিৰ প্ৰয়োগ কৰিছিল ?

(ঞ) পৌৰাণিক চৰিত্ৰক আধাৰ হিচাপে লৈ নৰকান্ত বৰুৱাই ৰচনা কৰা এটি কবিতাৰ নাম লিখা ।

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থালয়ৰ পৰা সংগ্ৰহ কৰা বৌদ্ধ গানসমূহ কি নামেৰে, কোন চনত গ্ৰন্থাকাৰে প্ৰকাশ কৰিছিল ?

(খ) চিত্ৰলেখাই পট নিৰ্মাণ কৰাৰ পূৰ্বে কাৰ ওচৰলৈ গৈ কি বৰ মাগিছিল ?

(গ) যতীন্দ্ৰনাথ দুৱৰাৰ 'ওমৰ তীৰ্থ' নামৰ অনুবাদ গ্ৰন্থখনৰ মূল কবিগৰাকীৰ আৰু কাব্যগ্ৰন্থখনৰ নাম লিখা ।

(ঘ) নলিনীবালা দেৱী কোন যুগৰ কবি ? তেওঁৰ কবিতাৰ মূল সুৰটো কি ?

(ঙ) নিৰ্মলপ্ৰভা বৰদলৈয়ে 'দ্ৰৌপদী' কবিতাটিত সৌন্দৰ্য ক'ত ক'ত লুকাই থাকে বুলি কৈছে ?





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) নন্দৰ ঘৰত পুত্ৰ উপজাৰ বতৰা শুনি গোপীগণে কেনেদৰে সাজি-কাচি নন্দৰ ঘৰলৈ গৈছে, বৰ্ণনা কৰা ।

(খ) সপোন স্বামীক হেৰুৱাই বিৰহ-বিহ্বলা হোৱা উষাক চিত্ৰলেখাই কেনেদৰে সান্ত্বনা দিছে, লিখা ।

(গ) ''এৰি দুৰ্যোধনক অনায়ো পাণ্ডৱক ।
ময়ূৰক ৰাখি ৰাজা এৰিয়ো কাকক ॥''

উক্ত কথাষাৰি বিদূৰে কি পৰিস্থিতিত ধৃতৰাষ্ট্ৰক ক'বলগীয়া হৈছিল, বুজাই লিখা ।

(ঘ) 'কেতেকী' কবিতাটিত কবিয়ে কেতেকী চৰাইজনীক কিয় 'নিৰাশাৰ আশা' বুলি কৈছে, বহলাই লিখা ।

(ঙ) কবি দেৱকান্ত বৰুৱাৰ 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটিত বিশ্বৰ বিভিন্ন ঠাইৰ প্ৰসংগ কিদৰে উত্থাপন কৰিছে, আলোচনা কৰা ।

(চ) নৰকান্ত বৰুৱাৰ 'পলস' কবিতাটিৰ তাৎপৰ্য বিশ্লেষণ কৰা ।

৪। (ক) লুইপাদৰ ১নং চৰ্যাপদটিৰ অন্তৰ্নিহিত ভাব তোমাৰ ভাষাৰে বৰ্ণনা কৰা । ১০

অথবা

(খ) শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' কবিতাটিত ভগৱানৰ অৱতাৰৰ বৰ্ণনা কিদৰে দাঙি ধৰিছে, আলোচনা কৰা । ১০

৫। (ক) 'ৰংপুৰ নগৰৰ বৰ্ণনা' শীৰ্ষক কবিতাটিত কবিয়ে ৰংপুৰ নগৰৰ বিৱৰণ কিদৰে দিছে, তোমাৰ ভাষাৰে লিখা। ১০

*অথবা*

(খ) 'ধৃতৰাষ্ট্ৰ-বিদুৰ সংবাদ' কবিতাটিৰ আধাৰত ধৃতৰাষ্ট্ৰ আৰু বিদুৰ চৰিত্ৰ দুটাৰ বিশ্লেষণ আগবঢ়োৱা। ১০

৬। (ক) 'সোণোৱালী দেশ' কবিতাটিত আশাবাদ আৰু নিৰাশাবাদ কিদৰে ফুটি উঠিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) নলিনীবালা দেৱীৰ 'পৰম তৃষ্ণা' কবিতাটি অতীন্দ্ৰিয়বাদী কবিতা হিচাপে বিচাৰ কৰা। ১০

৭। (ক) নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাটিত নাৰী মনস্তত্ত্ব কেনেদৰে প্ৰকাশ পাইছে, ফঁহিয়াই দেখুওৱা। ১০

*অথবা*

(খ) দেৱকান্ত বৰুৱাক কিয় 'যুগ-সন্ধিৰ কবি' বা 'দোমোজাৰ কবি' বুলি কোৱা হয়, 'আমি দুৱাৰ মুকলি কৰোঁ' শীৰ্ষক কবিতাটিৰ আলমত বিশ্লেষণ কৰা। ১০

★★★